**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 11-11-2025 Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি জনজাতীয় গৌৰৱ বৰ্ষ উদযাপন কৰা হৈছে। কামৰূপ জিলাৰ ছয়গাঁৱৰ পাণ্টান উচ্চ মাধ্যমিক বিদ্যালয় খেল পথাৰত আজি দিনৰ ২ বজাত বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত জনজাতীয় পৰিয়ালক ভূমি স্বত্ব-পত্ৰ বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ কৰিব। কামৰূপ জিলা প্ৰশাসনৰ সৌজন্যত আৰু জনজাতি পৰিক্ৰমা ভৈয়াম, বিভাগৰ সহযোগত আয়োজন কৰা জনজাতীয় গৌৰৱ বৰ্ষ পযেক অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰিব।

০০০০০০০

ৰহাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চাপৰমুখ ৰে'লৰে জংছন আৰু পশ্চিম কাৰ্বি আংলং সংযোগী চাপৰমুখ ৰে'লৰে উৰণ সেতুখন আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। এহেজাৰ ১৮৯ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখন ৮৪ কোটি ৬০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। উৰণ সেতুৰ উদ্বোধন অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিধায়ক শশীকান্ত দাস আৰু লামডিঙৰ মাণ্ডলিক ৰে'ল প্ৰবন্ধক সমীৰ লোহানী উপস্থিত থাকিব।

০০০০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীসকলে ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ লাভ কৰিব বুলি মাধ্যমিক শিক্ষা সঞ্চালকালয়ে এখন জাননীৰ জৰিয়তে প্ৰকাশ কৰিছে। সেইদিনা খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। শিক্ষক পদৰ প্ৰাৰ্থীসকলক নিজৰ পৰিচয় পত্ৰসহ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আহ্বান জনাইছে।

০০০০০০০

ডিব্ৰুগড় জিলা টিংখং বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলৰ পৰা অসম চৰকাৰৰ বিভিন্ন পদত নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকল অভিনন্দন জ্ঞাপন অনুষ্ঠানত কালি মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। মন্ত্ৰগৰাকীয়ে নিযুক্তি লাভ কৰা যুৱক-যুৱতী আৰু তেওঁলোকৰ পিতৃ-মাতৃৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰী বৰাই নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিষ্ঠাৰে দেশ আৰু ৰাইজৰ সেৱা কৰিবলৈ আহ্বান জনায়। এই বিশেষ অভিনন্দন অনুষ্ঠানত ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে প্ৰতি মঙলবাৰে দিনৰ ১ বাজি কুৰি মিনিটত প্ৰচাৰ কৰি অহা প্ৰাসংগিক অনুষ্ঠানত আজি এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। পশুপালন আৰু পশু চিকিৎসা সঞ্চালক ডাঃ জয়ন্ত কুমাৰ গোস্বামীৰ সৈতে হোৱা এই সাক্ষাৎকাৰ গ্ৰহণ কৰিছে বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠানত অসমৰ কেইবাখনো জিলাত ভয়াৱহ ৰূপ ধাৰণ কৰা আফ্ৰিকান ছ'ৱাইন ফিভাৰ সন্দৰ্ভত আলোচনা শুনিবলৈ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ। প্ৰযোজনা সহযোগী অপূৰ্ব মালী।

০০০০০০০

দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ জনৰো অধিক লোক আহত হয়। এই সন্দৰ্ভত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈছে। এখন বাহনত সংস্থাপিত এটা বোমা বিস্ফোৰণৰ ফলত হোৱা এই ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শক্তিশালী এই বিস্ফোৰণটোত অন্য চাৰিখন বাহনৰ ক্ষতি হোৱাৰ লগতে কেইবাজনো পথচাৰী আৰু অট'ৰিক্সাৰ যাত্ৰী আঘাতপ্ৰাপ্ত হয়। শ্ৰীশ্বাহে কয়, যে দিল্লী আৰক্ষী, ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা বাহিনী তথা ফৰেনচিকৰ দলে ঘটনাৰ বিস্তৃত অনুসন্ধান চলাই আছে আৰু এই সন্দৰ্ভত সোনকালেই নিশ্চিত তথ্য লাভ কৰিব।

দিল্লীৰ আৰক্ষী আয়ুক্ত সতীশ গোলচাই প্ৰকাশ কৰা মতে সন্ধিয়া প্ৰায় ৬ বাজি ৫২ মিনিটত লালকিল্লা মেট্ৰ' ষ্টেচনৰ সমীপত ধীৰ গতিৰে অহা এখন চাৰিচকীয়া বাহনত এই বিস্ফোৰণ সংঘটিত হয়। ঘটনাৰ পাছতে দিল্লী আৰক্ষীৰ শীৰ্ষ বিষয়া, এন এছ জি, এন আই এ আৰু ফৰেণচিক বিশেষজ্ঞৰ দল উপস্থিত হৈ ক্ষিপ্ৰ তদন্ত আৰম্ভ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহে ঘটনাস্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে চিকিৎসাধীন আহতসকলৰ স্বাস্থ্যৰ  বুজ লয়। বিস্ফোৰণ সন্দৰ্ভত ব্যাপক অনুসন্ধান চলোৱা হ'ব বুলিও তেওঁ ভুক্তভোগী লোকসকলক আশ্বাস দিয়ে।

দিল্লী আৰক্ষীয়ে ইতিমধ্যে বিস্ফোৰণত ব্যৱহৃত গাড়ীখন চিনাক্ত কৰিছে। এই সন্দৰ্ভত দিল্লী আৰক্ষীয়ে কেইবাটাও ধাৰাৰ অধীনত এটা গোচৰ ৰুজু কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিস্ফোৰণৰ ঘটনাৰ বুজ লোৱাৰ লগতে এই সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বাৰ্তালাপ কৰে।  প্ৰধানমন্ত্ৰীয়ে এই ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে আহতসকলৰ শীঘ্ৰেই আশু-আৰোগ্য ঘোষণা কৰিছে।

ইপিনে, এই ঘটনাৰ পাছতে দেশৰ বিভিন্ন ৰাজ্যত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। উত্তৰ প্ৰদেশৰ সকলো জিলা আৰু মুম্বাইত উচ্চ সতৰ্কতা জাৰি কৰাৰ লগতে সকলো স্পৰ্শকাতৰ অঞ্চলত তালাচী তীব্ৰতৰ কৰি তোলা হৈছে। অসমতো এই ঘটনাৰ পাছতে সতৰ্কতা বৃদ্ধি কৰা হৈছে। ৰাজ্য চৰকাৰৰ গৃহ বিভাগে প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকক এই সন্দৰ্ভত সতৰ্ক কৰি দিয়া বুলি জানিব পৰা গৈছে। সন্দেহজনক স্থানসমূহত আৰক্ষীক বিশেষ সাৱধাতা অৱলম্বন কৰিবলৈ কোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

০০০০০০০

**সমাপ্ত**